**3 SEM TDC ASM M 2**

**2015**

( November )

ASSAMESE

( Major )

Course : 302

( অসমীয়া কবিতাৰ অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32 (Backlog)/24 (2014 onwards)

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো আঠটাৰ) : ১×৮=৮

(ক) বিহুনাম, বিয়ানাম, আইনাম আদি কোন শ্ৰেণীৰ লোক-কাব্য বা লোক-সাহিত্য?

(খ) অসমীয়া কবিতাৰ লিখিত ৰূপৰ নিদৰ্শন প্ৰথম ক'ত পোৱা গৈছিল?

(গ) 'ফুল কোঁৱৰ-মণি কোঁৱৰৰ গীত' কোন শ্ৰেণীৰ গীত?

(ঘ) "আবেলি বেলিকা তৰিলে তাঁত।
পৈয়েকৰ ছিঙিলে উজুতিত দাঁত॥"

এই শাৰী দুটা কোনটো কবিতাৰ অন্তৰ্গত?

(ঙ) 'শ্ৰীকৃষ্ণকীৰ্ত্তন' কাৰ ৰচনা?

(চ) দুতী-অভ্ৰাৱতী মানে কি ?

(ছ) চন্দ্ৰকুমাৰ আগৰৱালা কোন যুগৰ কবি ?

(জ) 'অলকানন্দা' কবিতা-পুথিখনৰ ৰচক কোন ?

(ঝ) নৱকান্ত বৰুৱাই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(ঞ) 'ভালপোৱাৰ বাবে এষাৰ' কাৰ কাব্যগ্ৰন্থ ?

২। (ক) অসমীয়া কবিতাৰ এটি সংক্ষিপ্ত ইতিহাস দাঙি ধৰাঁ। ১৫

*অথবা*

(খ) আধুনিক অসমীয়া কবিতাৰ বিভিন্ন দিশসমূহ সামৰি এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) আখ্যানমূলক গীতৰ চমু পৰিচয় দাঙি ধৰি 'ফুল কোঁৱৰৰ গীত' কবিতাটোৰ আখ্যানভাগ অৰ্থাৎ বিষয়বস্তুৰ এটি আভাস দিয়াঁ। ৭+৭=১৪

*অথবা*

(খ) কবিৰ চমু পৰিচয় আগবঢ়াই 'শ্ৰীকৃষ্ণকীৰ্ত্তন'ৰ তোমাৰ পাঠ্যাংশৰ বিষয়বস্তুৰ আভাস দাঙি ধৰাঁ। ৬+৮=১৪

৪। (ক) মাধৱ কন্দলিৰ কাব্য-কৃতিৰ চমু উল্লেখেৰে সুন্দৰাকাণ্ডৰ তোমাৰ পাঠ্যখণ্ডত প্ৰকাশ পোৱা লংকা নগৰৰ বৰ্ণনা সম্পৰ্কে আলোচনা কৰাঁ। ৭+৭=১৪

*অথবা*

(খ) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত 'নামঘোষা'ৰ উদ্ধৃত অংশটিৰ বিষয়বস্তুৰ বিষয়ে এটি আলচ যুগুত কৰাঁ। ১৪

৫। (ক) 'একুৰা জুই' কবিতাটোৰ মাজেদি প্ৰকাশ পোৱা কবি অন্তৰৰ স্বদেশানুৰাগ আৰু সংস্কাৰধৰ্মী মনোভাৱ সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১৫

*অথবা*

(খ) নলিনীবালা দেৱীৰ কাব্য-কৃতিৰ চমু পৰিচয় দাঙি ধৰি তলৰ কবিতাফাঁকিৰ ব্যাখ্যা আগবঢ়োৱা : ৮+৭=১৫

"ভোগতেই মানুহৰ তৃপিতি পলোৱা হ'লে,
বাসনাও নোৱাৰে থাকিব;
মানুহৰ বাসনাৰ সমাধি-শয়ন হ'লে;
জীৱন মৰণো নাথাকিব।"

৬। (ক) হৰেকৃষ্ণ ডেকাৰ 'সমুদ্ৰভীতি' কবিতাটোত প্ৰকাশ পোৱা আধুনিক কবিতাৰ বিশেষত্ব সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা। ১৪

*অথবা*

(খ) 'চুলি নাবান্ধিবা, যাজ্ঞসেনী' কবিতাটোত আধুনিক নাৰী-চেতনাৰ প্ৰকাশ কেনেকৈ ঘটিছে, উদ্ধৃতিসহ আলোচনা কৰা।

★★★